# 2022

# ASSAMESE

Paper : ASM–SE–6014

**( Asamiya Akhar Jotani )**

( Skill Enhancement )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১×৪=৪

(ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা?

(খ) অ' বৰ্ণ প্ৰয়োগ হোৱা এটা শব্দৰ উদাহৰণ দিয়া।

(গ) অসমীয়া নিয়ত বা স্পৰ্শ ব্যঞ্জনবৰ্ণৰ সংখ্যা কেইটা?

(ঘ) অসমীয়া 'ন' (n) ব্যঞ্জনবৰ্ণটোৰ উচ্চাৰণৰ ধৰণ কি?

(ঙ) '-লৈ' অসমীয়া ভাষাৰ বিভক্তি নে প্ৰত্যয়?

(চ) চন্দ্ৰবিন্দু (ঁ) অসমীয়া ভাষাৰ কি বৰ্ণ?

(ছ) ধ্বনি (Phone) আৰু বৰ্ণ (phoneme) একেনে?

(জ) সংস্কৃত 'ঋ' বৰ্ণৰ উচ্চাৰণ অসমীয়াত কেনেধৰণে হয়?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো তিনিটা) : ২×৩=৬

(ক) অসমীয়া ভাষাত দ্বিস্বৰ কেইটা আৰু কি কি?

(খ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য বৰ্ণৰ উচ্চাৰণ আছেনে? এইবোৰ বৰ্ণৰ কি উচ্চাৰণ হয়?

(গ) অসমীয়া ভাষাৰ দুটা যতিচিহ্ন নিৰ্দেশ কৰা।

(ঘ) বিভক্তি আৰু প্ৰত্যয়ৰ দুটা পাৰ্থক্য লিখা।

(ঙ) ইংৰাজী ভাষাৰ t আৰু d বৰ্ণৰ অসমীয়া দন্তমূলীয় লিপ্যন্তৰ কি হ'ব?

(চ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা দুটা তৎসম শব্দৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) অসমীয়া ভাষাৰ অন্তঃস্থ বৰ্ণৰ প্ৰয়োগ

(খ) বিদেশী শব্দৰ লিপ্যন্তৰণ পদ্ধতি

(গ) অসমীয়া ভাষাৰ উৰ্দ্ধকমা (')-ৰ প্ৰয়োগবিধি

(ঘ) ৰেফ্‌যুক্ত বৰ্ণৰ দ্বিত্ব বৰ্জন

(ঙ) অক্ষৰ আৰু আখৰৰ পাৰ্থক্য

(চ) অসমীয়া ভাষাত যুক্তাক্ষৰ প্ৰয়োগৰ জটিলতা

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) অসমীয়া ভাষাৰ স্বৰচিহ্ন কেইটা আৰু কি কি, উদাহৰণসহ বৰ্ণনা কৰা।

(খ) অসমীয়া ব্যঞ্জনবৰ্ণৰ সংখ্যা কেইটা? এই বৰ্ণবোৰ বুজাবলৈ অসমীয়া ভাষাত কিমানটা আখৰ ব্যৱহাৰ হয়, উদাহৰণেৰে বুজাই লিখা।

(গ) অসমীয়া ভাষাত অনুনাসিকতাৰ প্ৰয়োগে কেনেধৰণে শব্দৰ অৰ্থৰ পাৰ্থক্য ঘটায়, উদাহৰণসহ লিখা।

(ঘ) অসমীয়া ভাষাৰ লিপ্যন্তৰ পদ্ধতি সম্পৰ্কে বহলাই লিখা।

(ঙ) উচ্চাৰণ অনুযায়ী বানান-ৰীতি প্ৰচলন হ'লে অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা আঁতৰ হোৱাৰ সম্ভাৱনা আছেনে, ব্যাখ্যা কৰা।

(চ) যতিচিহ্ন কাক বোলে? অসমীয়া ভাষাত ব্যৱহাৰ হোৱা যতিচিহ্নসমূহৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ নিৰ্দেশ কৰা।

(ছ) অসমীয়া ভাষাত পুৰুষবাচক বিভক্তিসমূহ কেনেধৰণে প্ৰয়োগ হয়? এই বিভক্তিসমূহৰ প্ৰয়োগত কেনেধৰণৰ খেলিমেলি হয়, চমুকৈ লিখা।

(জ) তলৰ শব্দবোৰৰ একে এ-কাৰৰে ক'ত এ আৰু ক'ত এ' উচ্চাৰণ হয়?

বেলি, খেল, লেখক, ভেলেঙী, খেতিয়ক,
এতিয়া, মেলা, ভেৰা, এটি, বেদ।

★★★